**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব। গৃহমন্ত্ৰীগৰাকী যোৰাহাটৰ পৰা পোনে পোনে গোলাঘাটলৈ যাব আৰু নিশাটো ডেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কটাব। তেওঁ কাইলৈ পুৱাৰ ভাগত দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। পাছত গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। শ্ৰীশ্বাহে পৰহিলৈ কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে অঞ্চলটোত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত  এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

oooooooo

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে।  ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইৰ ৰভাতলৰ পৰা উলিয়াই দৌললৈ

যাত্ৰা কৰা হ'ব। দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হয়। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰি, বাক্সা জিলাৰ জেংৰেংপাৰাতো কালিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে আবিৰৰ ৰঙে সকলোৰে মনপ্ৰাণ ৰঙীন কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে অহা দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড° দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০০০০০০

সমাপ্ত